4th Semester General philosophy.

Sonjoy Mondal.



প্ৰঃ বৌদ্ধ দৰ্শনৰ 'প্ৰতীত্যসমুৎপাদ' মতবাদটো আলোচনা কৰা।

**উত্তৰঃ** বৌদ্ধ দৰ্শনৰ প্ৰতিষ্ঠাতা হ'ল গৌতম বুদ্ধ। বৌদ্ধ দৰ্শনৰ মতে, মানুহৰ জীৱন আৰম্ভণিৰে দুখেৰে পৰিপূৰ্ণ যদিও এই দুখৰ পৰা মানুহে হাত সাৰিব পাৰে। গৌতম বুদ্ধ মূলতঃ সংস্কাৰক আছিল আৰু নৈতিকতা সম্পৰ্কে শিক্ষা প্ৰদান কৰিছিল। তেওঁ সাধনাৰে জ্ঞানো দীপ্ত লাভ কৰি দুখৰ পৰা মুক্তি লাভ কৰাৰ উপায় জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। বুদ্ধৰ মতে দুখ-কষ্টৰ পৰা মুক্তি লাভ কৰাই মানুহৰ জীৱনৰ চৰম লক্ষ্য। তেওঁ কৈছিল যে মানুহে নিজৰ কৰ্মৰ দ্বাৰাই মুক্তি লাভ কৰিব পাৰে।

প্ৰতীত্যসমুৎপাদ হ'ল বৌদ্ধ দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ মতবাদ। এই প্ৰতীত্যসমুৎপাদ মতবাদটো বুদ্ধদেৱৰ দ্বিতীয় আৰ্য্য সত্য (দুখৰ কাৰণ আছে) আৰু তৃতীয় আৰ্য্য সত্য (দুখৰ নিবৃত্তি আছে) এই দুটা আৰ্য্য সত্যক অন্তৰ্ভুক্ত কৰে। বৌদ্ধ দৰ্শনৰ দ্বিতীয় আৰ্য্য সত্য কাৰ্য-কাৰণ সম্বন্ধৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই কাৰ্য-কাৰণ তত্ত্ব বৌদ্ধ দৰ্শনত প্ৰতীত্যসমুৎপাদ বুলি কোৱা হয়। জগতৰ প্ৰত্যেকটো বস্তু একোটা কাৰণৰ ওপৰত নিৰ্ভৰ কৰে, আকস্মিক ভাৱে কোনো ঘটনাৰ উৎপত্তি হব নোৱাৰে। ইয়াকে প্ৰতীত্যসমুৎপাদ (pratityasamudpada) বোলা হয়। কাৰ্য-কাৰণ তত্ত্বৰ অৰ্থ হৈছে জগতত যি ঘটিছে তাৰ নিশ্চয় এটা কাৰণ আছে। কাৰণ অবিহনে কোনো কাৰ্য্য ঘটিব নোৱাৰে। ঠিক সেইদৰে মানুহৰ জীৱনত যদিও দুখ আছে এই দুখৰ নিশ্চয় এটা কাৰণো আছে। জীৱনত বহুতো দুখ আছে— বাৰ্দ্ধক্য, মৃত্যু, নিৰাশা, শোক, ৰোগ ইত্যাদি। জৰা-মৰণাদি আদি দুখৰ কাৰণ হ'ল জন্ম। সংসাৰত নোহোৱা হ'লে মানুহে এই দুখবোৰৰ সন্মুখীন নহ'ল হেতেন। জন্মৰো আকৌ কাৰণ আছে। জাগতিক বিষয়ৰ প্ৰতি তৃষ্ণাই জন্ম গ্ৰহণৰ মূল কাৰণ।

বৌদ্ধ দৰ্শনৰ তৃতীয় আৰ্যসত্য অনুসৰি দুঃখ আমাৰ জীৱনত আছে যদিও ইয়াৰ বিনাশ বা নিবৃত্তি আছে। বৌদ্ধ দৰ্শনত দুঃখ নিবৃত্তিৰ বাবে মানুহে নিৰ্বাণ লাভ কৰিব লাগিব। নিৰ্বাণ মানে মুক্তি। বুদ্ধদেৱৰ প্ৰতীত্যসমুৎপাদ অনুসৰি প্ৰত্যেক ঘটনাৰ উৎপত্তি তাৰ পূৰ্ববৰ্তী ঘটনাৰ ওপৰত নিৰ্ভৰশীল। বিনা কাৰণত কোনো বস্তুৰেই অস্তিত্ব থাকিব নোৱাৰে। 'প্ৰতীত্য' শব্দৰ অৰ্থ হ'ল প্ৰাপ্ত হোৱা আৰু 'সমুৎপাদ' শব্দৰ অৰ্থ হ'ল উদ্ভৱ (উৎপত্তি) হোৱা। অৰ্থাৎ প্ৰাপ্ত কাৰণৰ দ্বাৰা কাৰ্যৰ উৎপত্তি। এয়েই হ'ল প্ৰতীত্যসমুৎপাদ প্ৰকৃত অৰ্থ।